# Video Conference between Joint Secretary (East Asia) and Director General in Chinese Ministry of Foreign Affairs

June 05, 2020

# যুটীয়া সচিব(পূব এছিয়া) আৰু চীনৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰণালয়ৰ মহা নিৰ্দ্দেশকৰ মাজত ভিডিঅ কনফাৰেন্স

জুন 05, 2020

শ্ৰী নৱীন শ্ৰীৱাস্তৱ, যুটীয়া সচিব(পূব এছিয়া) আৰু চীনৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰণালয়ৰ মহা নিৰ্দ্দেশক শ্ৰী য়ু জিয়াংগহাওৱে 5 জুন 2020 তাৰিখে ভিডিঅ কনফাৰেন্স যোগে এক বৈঠকত মিলিত হয়।

দুয়ো পক্ষই সাম্প্ৰতিক উন্নয়নৰ লগতে দ্বিপাক্ষিক সম্পৰ্কৰ স্থিতিৰ সন্দৰ্ভত পৰ্যালোচনা কৰে। এই প্ৰসংগত তেওঁলোকে দুয়োখন দেশৰ নেতাসকলৰ মাজত হোৱা ঐক্যমতৰ কথা স্মৰণ কৰি কয় যে ভাৰত আৰু চীনৰ মাজত শান্তিপূৰ্ণ, স্থিৰ আৰু সুষম সম্পৰ্ক সাম্প্ৰতিক বৈশ্বিক পৰিস্থিতিৰ স্থিতশীলতাৰ কাৰণে এক ইতিবাচক কাৰক হব পাৰে। আলোচনাৰ সময়ত দুয়ো পক্ষই এই কথাত সহমত পোষণ কৰে যে শীৰ্ষ নেতৃত্বৰ দ্বাৰা প্ৰদত্ত দিকনিৰ্দ্দেশনা অনুসৰি দুয়ো পক্ষই পৰস্পৰে পৰস্পৰৰ সংবেদনশীলতা, উদ্বেগ আৰু আকাংক্ষাক সন্মান কৰাৰ গুৰুত্বক প্ৰধান্য দি শান্তিপূৰ্ণ আলোচনাৰ মাধ্যমেৰে তেওঁলোকৰ মাজত থকা মতভেদসমূহৰ সমাধান কৰিব লাগে আৰু ইয়াক বিতৰ্ক হবলৈ দিয়া অনুচিত।

দুয়ো পক্ষই  ক'ভিড-19 মহামাৰীৰ ফলত সৃষ্টি হোৱা প্ৰত্যাহ্বান আৰু বিভিন্ন বহুপাক্ষিক মঞ্চসমূহত সহযোগিতাৰ বিষয়তো মত বিনিময় কৰে।

**নতুন দিল্লী**
**জুন 05, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.